REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 2-10-2023
Time : 1715 Hrs.

**ASSAMESE EVENING BULLETIN**

সমগ্ৰ দেশজুৰি আজি জনসাধাৰণে জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম দিৱস উপলক্ষে গান্ধীজীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। গান্ধী জয়ন্তী উপলক্ষে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজঘাটত মহাত্মা গান্ধীৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়।

দেশে আজি লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ জয়ন্তীত তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজয় ঘাটত আজি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে আমাৰ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ সময়ত দিয়া নেতৃত্বৰ বাবে শাস্ত্ৰীজীক সদায় স্মৰণ কৰা হ'ব।

০০০০০০০

সমগ্ৰ ৰাজ্যখনতে আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ উদ্যোগত আজি শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত জাতিৰ পিতা গৰাকীৰ জয়ন্তী উদ্‌যাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ জনসাধাৰণৰ হৈ জাতিৰ পিতাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। মুখ্যমন্ত্ৰীৰ উপস্থিতিত সেই স্থানতে এখন সৰ্বধৰ্ম প্ৰাৰ্থনাসভাৰো আয়োজন কৰা হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে মানৱ জীৱনলৈ দিয়া শ্ৰেষ্ঠতম বাণী নিজৰ জীৱনতো প্ৰয়োগ কৰি মহামানৱ মহাত্মা গান্ধীয়ে যি আদৰ্শ দেখুৱাই থৈ গৈছে, সেয়া বিশ্ববাসীৰ বাবে অমল প্ৰেৰণাৰ উৎস। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি বহু বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে। ইফালে, গান্ধী মণ্ডপৰ অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই চানমাৰিৰ অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ কাৰ্যালয়ত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ কমলা কলিতাৰ উপস্থিতিত জাতিৰ পিতালৈ শ্ৰদ্ধাঞ্জলি জনাই মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ভাষণত গান্ধীজীৰ সত্য আৰু অহিংসাৰ পথেৰে অসমখনক বিকাশৰ গতিত আগুৱাই নিয়া হ'ব বুলি আশা ব্যক্ত কৰে।

জাতিৰ পিতাগৰাকীৰ জয়ন্তীৰ লগত সংগতি ৰাখি আজি কামৰূপ জিলাৰ ৰঙিয়া আদৰ্শ চিকিৎসালয়ত 'আয়ুষ্মান ভৱ' কাৰ্যসূচীৰ অধীনত  মেগা স্বাস্থ্য মেলাৰ আয়োজন কৰা হয়। ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতাই উদ্বোধন কৰা এই স্বাস্থ্য মেলা অভিজ্ঞ চিকিৎসকৰ দ্বাৰা চকু, প্ৰসূতি, শিশু, দন্ত, মনোৰোগ আদি বিভিন্ন বিভাগৰ চিকিৎসা সেৱা প্ৰদান কৰা হয়। লগতে কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত হিতাধিকাৰীসকলক আয়ুষ্মান কাৰ্ড বিতৰণ কৰা হয়। বৰপেটা জিলাত গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি জিলা কৃষি বিভাগে ঔষধি গছৰ এখন বাগিচা নিৰ্মাণৰ কাম আৰম্ভ কৰে। আনহাতে, আজিৰ দিনটোৰ

লগত সংগতি ৰাখি জিলা কৃষি বিভাগে আন কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰিছে। কাৰ্বি আংলং জিলাতো গান্ধী জয়ন্তী উপলক্ষে আন্তঃৰ্জাতিক অহিংসা দিৱস পালন কৰা হয়। এই উপলক্ষে জিলা মহিলা সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হয়। কৰিমগঞ্জ জিলাত গান্ধী জয়ন্তী উপলক্ষে চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পুৱা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পাছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, বক্তৃতা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হয়।

ooooooooo

গান্ধী জয়ন্তীৰ পৱিত্ৰ দিনটোত আজি গুৱাহাটীৰ শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত অসম মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাৰ পৰা এই কেবিনেট বৈঠকখন আৰম্ভ হ'ব। বৈঠকৰ পিছতে চৰকাৰৰ ফালৰ পৰা সংবাদমেলৰ জৰিয়তে সিদ্ধান্তসমূহ সদৰি কৰা হ'ব।

ooooooooo

চীনৰ হাংচ'অ'ত চলি থকা এছিয়ান গেমছৰ নৱম দিনা আজি ভাৰতে ৩টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক সংখ্যা ৫৬লৈ বৃদ্ধি কৰিছে। ভাৰতীয় মহিলা আৰু পুৰুষৰ স্পীড স্কেটিং দলে দুটা ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে টেবুল টেনিছত মহিলাৰ ডাবলছ্ শাখাত ভাৰতীয় দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে।

ভাৰতীয় মহিলা স্কেটিং দলৰ সঞ্জনা ভাটুকা, কাৰ্তিকা জগদীশ্বৰণ, হীৰাল সাধু আৰু আৰতি কস্তুৰীৰাজে ৩হাজাৰ মিটাৰ স্পীড স্কেটিং ৰিলেট তৃতীয় স্থান দখল কৰে। ভাৰতৰ আৰ্য়ন পল, আনন্দ কুমাৰ, সিদ্ধান্ত, বিক্ৰমক লৈ গঠিত পুৰুষৰ স্পীড স্কেটিং দলটোৱেও তৃতীয় স্থান দখল কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। টেবুল টেনিছত আইহিকা মুখাৰ্জী আৰু সুতীৰ্থা মুখাৰ্জীয়ে মহিলাৰ ডাবলছত ব্ৰঞ্জৰ পদক লাভ কৰে। চেমিফাইনেলত তেওঁলোক উত্তৰ কোৰিয়াৰ ছুয়ং সাহ আৰু ছুগয়ং পকৰ বিৰুদ্ধে খেলি পৰাজিত হয়।

অসমৰ অম্লান বৰগোহাঁয়ে আজি সন্ধিয়া ৫ বাজি ২৫ মিনিটত পুৰুষৰ ২০০ মিটাৰ দৌৰৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooooooo

সমাপ্ত